**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
**-----------**

০০০০০০০

১। ৰাজ্যসভাত সংবিধানৰ ৭৫ বছৰজোৰা গৌৰৱময় যাত্ৰা সম্পৰ্কীয় বিশেষ আলোচনা আজি পুনৰ আৰম্ভ হয়।

২। এখন ৰাষ্ট্ৰ-এটা নিৰ্বাচন ব্যৱস্থা সম্পৰ্কীয় বিধেয়ক দুখন আজি লোকসভাত উত্থাপন কৰা হয়।

৩। লোকসভাই ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে পৰিপূৰক দাবী মঞ্জুৰিৰ প্ৰথম ভাগত অনুমোদন দিছে।

৪। আমাৰ দেশ বহনক্ষম চিকিৎসা পৰ্য্যটনৰ কেন্দ্ৰৰূপে উজ্বলি উঠিছে আৰু চিকিৎসকসকলে এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

***আৰু***

৫। ব্ৰিছবেন টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতে ফ'ল' অনৰ পৰা হাত সাৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

ৰাজ্যসভাত সংবিধানৰ ৭৫ বছৰজোৰা গৌৰৱময় যাত্ৰা সম্পৰ্কীয় বিশেষ আলোচনা আজি পুনৰ আৰম্ভ হয়।

আলোচনাত অংশ লৈ উচ্চ সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কয়, যে ভাৰত বিশ্বৰ সবাতোকৈ বৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰই নহয়, বৰং গণতন্ত্ৰৰ মাতৃও। তেওঁ কয়, যে ভাৰতীয় প্ৰমূল্য অনুসৰি, স্বাধীনতা, গ্ৰহণযোগ্যতা, সমতা আৰু সংহতি সংবিধানৰ মূল অংগ আৰু এই প্ৰমূল্যৰাজিয়ে জনসাধাৰণক মৰ্য্যাদাপূৰ্ণ জীৱন ধাৰণত সহায় কৰে। চৰকাৰ এই দৃষ্টিভংগীৰ প্ৰতি সমৰ্পিত বুলিও তেওঁ উল্লেখ কৰে। অতীতত কংগ্ৰেছে সংবিধানক অৱমাননা কৰা বুলি অভিযোগ তুলি শ্ৰীনাড্ডাই কয়, যে দলটোৱে ন্যায়পালিকাৰ

স্বাধীনতাক আক্ৰমণ কৰিছে আৰু সেই সময়ৰ চৰকাৰৰ কু-অভিপ্ৰায়ৰ বিৰুদ্ধে ৰায় প্ৰদান কৰাৰ বাবে কেইবাগৰাকীও ন্যায়াধীশক অপসাৰিত কৰিছে। কংগ্ৰেছে বিভিন্ন ৰাজ্যৰ সুস্থিৰ চৰকাৰক আঁতৰাবলৈ ৯০ বাৰকৈ ৩৫৬ নম্বৰ অনুচ্ছেদৰ অপ-ব্যৱহাৰ কৰা বুলি মন্ত্ৰীগৰাকীয়ে অভিযোগ তোলে। তৃণমূল কংগ্ৰেছৰ সুস্মিতা দেবে আলোচনাত ভাগ লৈ ১ শতাংশ জনসাধাৰণে ৰাষ্ট্ৰৰ সম্পত্তিৰ ৪০ শতাংশ নিয়ন্ত্ৰণ কৰি আছে বুলি অভিযোগ তোলে। মণিপুৰৰ বিষয়ত চৰকাৰৰ মৌনতাক লৈও তেওঁ প্ৰশ্ন উত্থাপন কৰে।

ডি এম কেৰ সাংসদ পি উইলচনে কয়, যে চৰকাৰে সংসদক অৱহেলা কৰিছে। তেওঁ লগতে যোৱা লোকসভাত কোনো ধৰণৰ আলোচনা অবিহনে অথবা এঘণ্টাতকৈও কম আলোচনাৰ অন্তত ২২১ খনৰো অধিক বিধেয়ক গৃহীত কৰা বুলি অভিযোগ তোলে।

কেন্দ্ৰীয় মন্ত্ৰী ভূপিন্দৰ যাদৱে আলোচনাত অংশ লৈ কয়, যে দেশৰ সাংবিধানিক আৰু সভ্যতাজনিত প্ৰমূল্যৰাজি অতিকে গুৰুত্বপূৰ্ণ। শ্ৰীযাদৱে লগতে লোকসভা নিৰ্বাচনৰ সময়ত ক্ষমতালৈ আহিলে চৰকাৰে সংবিধান সলনি কৰিব বুলি ভুৱা কথা প্ৰচাৰ কৰাৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। হাৰিয়াণা আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনে বিৰোধী পক্ষক বাৰুকৈ এসেকা দিলে বুলিও তেওঁ মন্তব্য কৰে। চি পি আই এমৰ জন ব্ৰিত্তাছে কয়, যে গণতন্ত্ৰ, ধৰ্ম-নিৰপেক্ষতা আৰু যুক্তৰাষ্ট্ৰবাদ অবিহনে দেশৰ একতা বৰ্তাই ৰাখিব পৰা নাযায়। বিজেপিয়ে বিৰোধী পক্ষশাসিত ৰাজ্যসমূহৰ চৰকাৰক অস্থিৰ কৰি তোলাৰ চেষ্টা চলাই আছে বুলি অভিযোগ তোলে। জে ডি এছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী এইচ ডি দেবেগৌড়া, কংগ্ৰেছৰ চৈয়দ নাছিৰ হুছেইন, টি এম চিৰ মমতা ঠাকুৰ, আৰ জে ডিৰ মনোজ ঝা প্ৰমুখ্যে ভালেকেইগৰাকী সাংসদে আলোচনাত ভাগ লয়।

০০০০০০০

এখন ৰাষ্ট্ৰ-এটা নিৰ্বাচন ব্যৱস্থা সম্পৰ্কীয় বিধেয়ক দুখন আজি লোকসভাত উত্থাপন কৰা হয়। আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক-২০২৪ আৰু কেন্দ্ৰীয়শাসিত অঞ্চল বিধি-২০২৪ সদনত উত্থাপন কৰাৰ সময়ত বিৰোধী পক্ষৰ সাংসদসকলে ভোট বিভাজনৰ দাবী উত্থাপন কৰে। ২৬৯ গৰাকী সদস্যই বিধেয়ক দুখনৰ উত্থাপনৰ সপক্ষে আৰু ১৯৮ গৰাকী সদস্যই বিপক্ষে ভোটদান কৰে। কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, শিৱসেনাৰ উদ্ধৱ থাকৰে গোট, চি পি আই এম আৰু অন্য দলসমূহে বিধেয়ক দুখন উত্থাপনৰ বিৰোধিতা কৰি ইয়াক সংবিধানৰ বুনিয়াদী পৰিকাঠামোৰ ওপৰত হোৱা আক্ৰমণ বুলি অভিহিত কৰে। তেওঁলোকে বিধেয়ক দুখন চালি-জাৰি চোৱাৰ বাবে যুটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়।

আইন মন্ত্ৰী শ্ৰীমেঘৱালে বিৰোধী দলসমূহৰ অভিযোগ প্ৰত্যাখ্যান কৰি কয়, যে বিধেয়ক দুখন সংবিধানৰ বুনিয়াদী পৰিকাঠামোৰ পৰিপন্থী নহয়। তেওঁ বিধেয়ক দুখন যুটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণৰ প্ৰস্তাৱ আগবঢ়ায়। দেশৰ প্ৰথমগৰাকী আইন মন্ত্ৰী ড০ ভীমৰাও আম্বেদকাৰৰ বিবৃতিৰ উদ্ধৃতিৰে শ্ৰীমেঘৱালে কয়, যে কোনেও সংবিধানৰ মৌলিক গাঁথনি সলনি কৰিব নোৱাৰে। এখন-ৰাষ্ট্ৰ-এটা নিৰ্বাচনৰ অৱধাৰণাৰ অন্বেষণ কৰাৰ বাবে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দৰ নেতৃত্বত গঠন কৰা উচ্চ পৰ্য্যায়ৰ কমিটিখনৰ প্ৰশংসা কৰি

মন্ত্ৰীগৰাকীয়ে কয়, যে কমিটিখনে বিষয়টো সন্দৰ্ভত ৰাজনৈতিক দল আৰু বিশেষজ্ঞকে ধৰি সংশ্লিষ্ট পক্ষসমূহৰ সৈতে বিশদভাৱে আলোচনা কৰিছে।

০০০০০০০

লোকসভাই ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে প্ৰথমলানি পৰিপূৰক দাবী মঞ্জুৰিত অনুমোদন দিছে। চৰকাৰে ৮৭ হাজাৰ ৭৬২ কোটি টকাৰ অতিৰিক্ত ব্যয়ৰ বাবে সংসদৰ অনুমোদন বিচাৰিছিল। সদনে লগতে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বিনিয়োজন বিধেয়কতো অনুমোদন দিছে।

এই সন্দৰ্ভত সদনত হোৱা বিতৰ্কৰ উত্তৰ দি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে ভাৰত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাসমূহৰ অন্যতম আৰু বিগত তিনি বছৰত দেশৰ মুঠ ঘৰুৱা উৎপাদন গড়ে ৮ দশমিক ৩ শতাংশ হোৱা দেখা গৈছে। অনাগত সময়তো দেশৰ অৰ্থ-ব্যৱস্থাৰ বিকাশৰ এই যাত্ৰা অব্যাহত থাকিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে, যে আমাৰ দেশ বহনক্ষম চিকিৎসা পৰ্য্যটনৰ কেন্দ্ৰৰূপে উজ্বলি উঠিছে আৰু চিকিৎসকসকলে এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অন্ধ্ৰপ্ৰদেশৰ মংগলাগিৰিৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে চিকিৎসা বৃত্তিক মানৱ জাতিৰ সেৱাৰ উৎকৃষ্ট পন্থা বুলি অভিহিত কৰে। সৰ্বাত্মক স্বাস্থ্যৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমতী মুৰ্মুৱে এইমছ মংগলাগিৰিৰ সৰ্বাত্মক স্বাস্থ্য সদায় মন্ত্ৰৰ ভূয়সী প্ৰশংসা কৰে। সমাৱৰ্তন অনুষ্ঠানত অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যপাল এছ আব্দুল নজিৰ, মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী প্ৰতাপৰাও যাধৱ, ৰাজ্যখনৰ শিক্ষা মন্ত্ৰী নৰ লোকেশ আৰু স্বাস্থ্য মন্ত্ৰী সত্য কুমাৰ য়াদৱ উপস্থিত থাকে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ জয়পুৰত শক্তি, পথ, জল আৰু ৰে'ল খণ্ডৰ সৈতে জড়িত ৪৬ হাজাৰ কোটিতকৈও অধিক টকা ব্যয়সাপেক্ষ ২৪ টা প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ ভজনলাল শৰ্মা নেতৃত্বাধীন চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তি উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত ৰাজস্থান আৰু মধ্যপ্ৰদেশৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ পাৰ্বতী-কালীসিন্ধ-চম্বল সংযোগী প্ৰকল্প অন্যতম। আজি শ্ৰীমোদীৰ উপস্থিতিতে দুয়োখন ৰাজ্যৰ মাজত এই প্ৰকল্পৰ বাবে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানক সম্বোধন কৰি শ্ৰীমোদীয়ে কয়, যে এই সংযোগী প্ৰকল্পটোৱে ৰাজস্থানৰ পানীৰ সমস্যাটোৰ এটা স্থায়ী সমাধানৰ ব্যৱস্থা কৰাৰ লগতে বিনিয়োগক উৎসাহিত কৰি যুৱক-যুৱতীসকলৰ বাবে কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। আজিৰ অনুষ্ঠানত শ্ৰীমোদীৰ লগতে ৰাজস্থানৰ ৰাজ্যপাল হৰিভাও বাগৰে, মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহনলাল য়াদৱ আৰু কেন্দ্ৰীয় জল-শক্তি মন্ত্ৰী চি আৰ পাটিলো উপস্থিত থাকে।

০০০০০০০

এটা ভ্ৰমণ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ এজন সদস্যই প্ৰৱঞ্চনাৰে পাকিস্তানলৈ প্ৰেৰণ কৰা এগৰাকী ভাৰতীয় মহিলা ২২ বছৰৰ মূৰত আজি স্বদেশলৈ উভতি আহে। যাৱতীয় নথি-পত্ৰ পৰীক্ষা কৰাৰ অন্তত ভাৰতীয় ইমিগ্ৰেচন আৰু সীমা শুল্ক বিভাগে হামিদা বানো নামৰ এই মহিলাগৰাকীক অট্টাৰিৰ জিলা প্ৰশাসনক গতাই দিয়ে। তাৰ পাছত তেওঁক অমৃতচৰৰ গুৰু নানক দেৱ হাস্পতাললৈ স্বাস্থ্যজনিত পৰীক্ষাৰ বাবে লৈ যোৱা হয়। হামিদা বানোৱে প্ৰকাশ কৰা অনুসৰি, ভ্ৰমণ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ সদস্যজনে ডুবাইত চাকৰি দিয়াৰ প্ৰলোভনেৰে তেওঁক পাকিস্তানৰ সিন্ধ প্ৰদেশৰ হায়দৰাবাদলৈ লৈ গৈছিল। এবছৰৰ পূৰ্বে ভাৰতীয় দূতাবাসে তেওঁৰ সৈতে যোগাযোগ স্থাপন কৰে আৰু তাৰেই ফলশ্ৰুতিত আজি তেওঁ স্বদেশলৈ উভতিবলৈ সমৰ্থ হৈছে বুলিও মহিলাগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

ব্ৰিছবেন টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতে ফ'ল' অনৰ পৰা হাত সাৰিবলৈ সমৰ্থ হৈছে। গাবাত অনুষ্ঠিত তৃতীয় টেষ্টৰ আজি চতুৰ্থ দিনৰ সামৰণিত ভাৰতে প্ৰথম ইনিংছত ৯টা উইকেট হেৰুৱাই ২৫২ ৰাণ সংগ্ৰহ কৰে। ফ'ল' অনৰ পৰা হাত সাৰিবলৈ ভাৰতক ২৪৬ ৰাণৰ প্ৰয়োজন আছিল। দিনান্তত যশপ্ৰীত বুমৰাই ১০ আৰু আকাশ দীপে ২৭ ৰান কৰি বেট ধৰি আছে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বোচ্চ ৮৪ ৰাণ সংগ্ৰহ কৰে। ৰবীন্দ্ৰ জাদেজাই দৃঢ়তাৰে খেলি ৭৭ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ মিছেল ষ্টাৰ্কে ৩ টা আৰু পেট কামিন্সে ৪ টা উইকেট দখল কৰে। ভাৰত এতিয়া প্ৰথম ইনিংছৰ এটা উইকেট হাতত থকা অৱস্থাত অষ্ট্ৰেলিয়াতকৈ ১৯৩ ৰানত পিছ পৰি আছে। কাইলৈ খেলখনৰ অন্তিম দিন।

০০০০০০০

বাংলাদেশৰ এখন উচ্চ ন্যায়ালয়ে আজি সংসদীয় নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অ-দলীয় কাৰ্য্যবাহী চৰকাৰ প্ৰণালীৰ সাংবিধানিক ব্যৱস্থা বাহাল কৰিছে। ইউনাইটেড নিউজ অৱ বাংলাদেশৰ বাতৰি অনুসৰি, ন্যায়ালয়ে সেই দেশৰ সংবিধানৰ পঞ্চদশ সংশোধনত ইয়াৰ মৌলিক পৰিকাঠামো প্ৰত্যাখ্যান কৰা হৈছে আৰু প্ৰধান গণতান্ত্ৰিক আদৰ্শৰাজিৰ সৈতে আপোচ কৰা হৈছে বুলি মন্তব্য কৰিছে। এই সংশোধনত কাৰ্য্যবাহী চৰকাৰ প্ৰণালী বাহাল কৰাত কোনো আইনী বাধা নাই বুলি কোৱা হৈছে। ন্যায়াধীশ ফৰাহ মেহবুব আৰু ন্যায়াধীশ দেৱাশীষ ৰায়চৌধুৰীৰ এখন বিচাৰপীঠে সংবিধানৰ পঞ্চদশ সংশোধন আৰু কাৰ্য্যবাহী চৰকাৰৰ প্ৰণালীৰ বিলুপ্তিৰ বাবে দাখিল কৰা আবেদনৰ শুনানী গ্ৰহণ কৰি এইদৰে মন্তব্য কৰে।

০০০০০০০

সমাপ্ত